# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হোৱাৰ দিশে ধাৱমান হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঁথনি চালিত অৰ্থনৈতিক বিকাশত গুৰুত্ব আৰোপ কৰি আহিছে বুলি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে।

৩। নিৰ্বাচন আয়োগে ভোটাৰ তালিকা নিৰীক্ষণ প্ৰক্ৰিয়াত জড়িত  বিষয়া-বি এল অ'ৰ পাৰিতোষিক বৃদ্ধি কৰিছে।

৪। চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ যোগ্যতা নিৰূপণ আৰু প্ৰৱেশ পৰীক্ষা নীট পিজি ২০২৫ আজি অনুষ্ঠিত হ'ব।

*আৰু*

৫। অভেল টেষ্টত ঘৰুৱা দল ইংলেণ্ডে এক উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত সংগ্ৰহ কৰা ৫০ ৰানৰ পৰা আজি চতুৰ্থ দিনৰ খেল আৰম্ভ কৰিব।

ooooo

ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থা হোৱাৰ দিশে ধাৱমান হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। উত্তৰ প্ৰদেশৰ বাৰাণসীত কালি প্ৰায় দুহেজাৰ দুশ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে গোলকীয় ব্যৱস্থা সম্প্ৰতি বিভিন্ন অনিশ্চয়তা আৰু অস্থিৰ পৰিস্থিতিৰ সন্মুখীন হৈছে আৰু এনে পৰিস্থিতিত বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰই নিজৰ স্বাৰ্থত গুৰুত্ব আৰোপ কৰিবলৈ লৈছে। প্ৰধানমন্ত্ৰীয়ে এই ক্ষেত্ৰত নাগৰিকসকলৰো কেতবোৰ দায়িত্ব আছে বুলি উল্লেখ কৰে। তেওঁ লগতে স্বদেশী বস্তু ব্যৱহাৰ কৰাৰ বাবে সংকল্প গ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। এগৰাকী ভাৰতীয় ঘাম আৰু পৰিশ্ৰমেৰে নিৰ্মিত সকলো বস্তুকে স্বদেশী বুলি অভিহিত কৰি শ্ৰীমোদীয়ে ভোকেল ফ'ৰ লোকেলৰ মন্ত্ৰ আঁকোৱালি ল'বলৈ ৰাষ্ট্ৰৰ প্ৰতি আহ্বান জনায়। দেশত নিৰ্মিত সা-সামগ্ৰীৰ প্ৰসাৰৰ সংকল্প গ্ৰহণ কৰিবলৈও দেশবাসীৰ প্ৰতি তেওঁ আহ্বান জনায়। শ্ৰীমোদীয়ে কয়, যে আমাৰ ঘৰত প্ৰৱেশ কৰা সকলো নতুন বস্তুৱে স্বদেশী হোৱা উচিত আৰু সকলো ভাৰতীয়ই বিষয়টো সুনিশ্চিত কৰাৰ দায়িত্ব গ্ৰহণ কৰা উচিত। তেওঁ প্ৰতিগৰাকী ব্যৱসায় আৰু দোকানীক অকল স্বদেশী বস্তুহে বিক্ৰী কৰাৰ সংকল্প ল'বলৈ অনুৰোধ জনায়। এনে কৰিলে এয়া ৰাষ্ট্ৰৰ

প্ৰতি প্ৰকৃত সেৱা হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। আসন্ন উৎসৱৰ বতৰত স্বদেশী সামগ্ৰী ব্যৱহাৰ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাই শ্ৰীমোদীয়ে কয়, যে এয়াই মহাত্মা গান্ধীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঁথনি চালিত অৰ্থনৈতিক বিকাশত গুৰুত্ব আৰোপ কৰি আহিছে বুলি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই দৃষ্টিভংগীৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অধীনৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ দৈৰ্ঘ্য ১২০ শতাংশ বৃদ্ধি পাইছে। অন্ধ্ৰপ্ৰদেশৰ মংগলাগিৰিত কালি এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে পথ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে সামগ্ৰী পৰিবৰণৰ ব্যয় ১৬ শতাংশৰ পৰা ১০ শতাংশলৈ হ্ৰাস পাইছে। চলিত বৰ্ষৰ ডিচেম্বৰৰ ভিতৰত সামগ্ৰী পৰিবহণৰ ব্যয় ৯ শতাংশলৈ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ইয়াৰ ফলত ৰপ্তানীৰ পৰিমাণ দুগুণলৈ বৃদ্ধি পাব আৰু কৰ্মসংস্থাপনৰ ন-ন সুযোগ সৃষ্টি হ'ব। শ্ৰীগাডকাৰীয়ে কয়, যে উন্নয়নমূলক প্ৰকল্পসমূহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী অনুযায়ী গ্ৰামাঞ্চল আৰু জনজাতীয় বসতিপ্ৰধান এলেকাসমূহৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব।

০০০০০

নিৰ্বাচন আয়োগে ভোটাৰ তালিকা নিৰীক্ষণ প্ৰক্ৰিয়াত জড়িত বুথ পৰ্যায়ত বিষয়া-বি এল অ'ৰ পাৰিতোষিক দুগুণলৈ বৃদ্ধি কৰাৰ লগতে পৰ্যবেক্ষকসকলৰ পাৰিতোষিক বৃদ্ধি কৰিছে। নিৰ্বাচনী সংস্থাটোৱে এটা বিবৃতিত জনাইছে যে, দৰমহাৰ সংশোধিত গাঁথনি অনুসৰি বি এল অ'সকলৰ বাৰ্ষিক পাৰিতোষিক ৬ হাজাৰৰ পৰা ১২ হাজাৰলৈ বৃদ্ধি কৰাৰ লগতে ভাট্টা এহেজাৰৰ পৰা দুহেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে ভোটাৰ তালিকা প্ৰস্তুতি প্ৰক্ৰিয়াত বিশেষ ভূমিকা পালন কৰা পৰ্যবেক্ষকসকলৰ পূৰ্বৰ ১২ হাজাৰৰ পৰা পাৰিতোষিক ১৮ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। নিৰ্বাচন আয়োগে ভোটাৰ পঞ্জীয়ক বিষয়া আৰু সহকাৰী ভোটাৰ পঞ্জীয়ক বিষয়াসকলৰো মাননি বৃদ্ধি কৰিছে। এই অনুসৰি ভোটাৰ পঞ্জীয়ক বিষয়াসকলে ৩০ হাজাৰ আৰু সহকাৰী ভোটাৰ পঞ্জীয়ক বিষয়াসকলে ২৫ হাজাৰকৈ টকা লাভ কৰিব। বিহাৰৰ পৰা আৰম্ভ হ'বলগীয়া বিশেষ ইণ্টেনশ্বিভ পুনৰীক্ষণ- এছ আই আৰৰ বাবেও বি এল অ'সকলক ছহেজাৰ টকাৰ বিশেষ ভাট্টা প্ৰদান কৰা হ'ব।

০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ যোগ্যতা নিৰূপণ আৰু প্ৰৱেশ পৰীক্ষা নীট পিজি ২০২৫ আজি অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ হ'বলগীয়া এই পৰীক্ষাত প্ৰায় আঢ়ৈ লাখ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ্থীসকলে পৰীক্ষা কেন্দ্ৰলৈ যাৱতীয় সকলো নথিপত্ৰ লৈ যাব লাগিব অন্যথা তেওঁলোকক পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব।

০০০০০

ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষই আয়ুষ মন্ত্ৰালয়ৰ সহযোগত আয়ুৰ্বেদ আহাৰ শাখাত বৈদিক আহাৰ প্ৰস্তুতিৰ এখন তালিকা প্ৰকাশ কৰিছে। এই পদক্ষেপৰ জৰিয়তে ভাৰতৰ মূল সুঁতিৰ মানুহৰ খাদ্যবিধি খাদ্য সুৰক্ষা আৰু মানক নিয়মাৱলী ২০২২ৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে। এই নিয়মাৱলীয়ে খাদ্যৰ উপকৰণ আৰু প্ৰস্তুতিত স্বীকৃতি দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে সু-স্বাস্থ্যৰ বাবে দৈনিক আহাৰ তালিকাত বৈদিক আহাৰ অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনাইছে।

০০০০০

জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাত খনন কাৰ্যৰ সময়ত শিৱলিংগৰ লগতে বহু হিন্দু দেৱ-দেৱীৰ মূৰ্তি খোদিত ফলক উদ্ধাৰ কৰা হৈছে। চৰকাৰী সূত্ৰই জনোৱা মতে দক্ষিণ কাশ্মীৰ জিলাৰ আশিমোকামৰ চালিয়া অঞ্চলৰ কাৰুকুট নাগত এই মূৰ্তিসমূহ উদ্ধাৰ কৰা হৈছে। জম্মু-কাশ্মীৰৰ পুৰাতত্ব আৰু সংগ্ৰহালয়ৰ বিষয়াসকলে অঞ্চলটো পৰিদৰ্শন কৰিছে। তেওঁলোকে এই মূৰ্তিসমূহৰ সময় আৰু উৎপত্তিৰ বিষয়ে পৰীক্ষা কৰিবলৈ এই ফলকসমূহ শ্ৰীনগৰলৈ পঠিয়াব। উল্লেখযোগ্য যে, কাৰকুটা বংশৰ সৈতে জড়িত কাশ্মিৰী পণ্ডতসকলৰ সৈতে এই ফলত উদ্ধাৰ হোৱা ঠাইসমূহৰ স্মৃতি জড়িত হৈ আছে।

০০০০০

ইৰাণৰ ৰাষ্ট্ৰপতি মাছুড পেজেছখেয়ানে দুদিনীয়া ভ্ৰমণসূচীৰে কালি পাকিস্তানত উপস্থিত হৈছে। ইৰাণীয়ান ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ উদ্দেশ্যে হৈছে দুই দেশৰ মাজত সম্পৰ্ক শক্তিশালী কৰা আৰু দ্বিপাক্ষিক বাণিজ্য বাৰ্ষিক ১০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰা। পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফ, উপ প্ৰধানমন্ত্ৰী ইছাক ডৰ, তথ্য মন্ত্ৰী আতাউল্লা তাৰাৰ আৰু অন্যান্য উচ্চ পদস্থ চৰকাৰী বিষয়াসকলে নুৰখাম বায়ুঘাটিত ইৰাণীয়ান ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। ৰাষ্ট্ৰপতি পেজেছখেয়ানক বৈদেশিক মন্ত্ৰী আববাছ আৰভুচেই, জ্যেষ্ঠ মন্ত্ৰী আৰু অন্যান্য উচ্চ পদস্থ বিষয়াসকলৰে গঠিত এটা প্ৰতিনিধিৰ দলে সংগ দিছে। উল্লেখযোগ্য যে, পাকিস্তান আৰু ইৰাণৰ মাজত ঘণিষ্ঠ সম্বন্ধ আছে আৰু দুয়োখন দেশে শক্তি আৰু বাণিজ্যকে ধৰি কেইবাখনো চুক্তিত স্বাক্ষৰ কৰে।

০০০০০

জাপানত এই বৰ্ষৰ জুলাই মাহটো দেশখনৰ আটাইতকৈ গৰমৰ মাহ হিচাপে সৰ্বকালৰ অভিলেখ ভংগ কৰিছে। দেশখনৰ বতৰ বিজ্ঞান সংস্থাই প্ৰকাশ কৰা অনুসৰি, এইবাৰ জুলাইত দেশখনৰ উষ্ণতা পূৰ্বতকৈ গড়ে ২ দশমিক ৮-৯ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাইছে। ইয়াৰ আগেয়ে ২০২৪ বৰ্ষৰ জুলাইত ২ দশমিক ১-৬ ডিগ্ৰী ছেলছিয়াছ উষ্ণতা বৃদ্ধিৰে সৰ্বাধিক গৰমৰ মাহ হিচাপে চিহ্নিত হৈছিল। এইবাৰ ৩০ জুলাইত দেশখনৰ টাম্বা চহৰৰ তাপমাত্ৰা ৪১ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ হয়গৈ। উল্লেখযোগ্য যে, গৰমৰ পৰিমাণ বৃদ্ধি হোৱাৰ সমান্তৰালকৈ দেশখনত বৰষুণৰ পৰিমাণ হ্ৰাস পোৱা বুলিও বতৰ বিজ্ঞান সংস্থাই প্ৰকাশ কৰিছে।

০০০০০

অভেল টেষ্টত ঘৰুৱা দল ইংলেণ্ডে এক উইকেটৰ বিনিময়ত দ্বিতীয় ইনিংছত সংগ্ৰহ কৰা ৫০ ৰানৰ পৰা আজি চতুৰ্থ দিনৰ খেল আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ভাৰতে বান্ধি দিয়া ৩৭৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ইংলেণ্ডে কালি দিনান্তলৈ এটা উইকেট হেৰুৱাই ৫০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজে কালি তৃতীয় দিনৰ অন্তিমটো বলত জেক ক্ৰ'লিৰ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৩৯৫ ৰানত দ্বিতীয় ইনিংছ সামৰে। ভাৰতৰ হৈ য়শস্বী জয়ছোৱালে ১১৮ আৰু দ্বিতীয় দিনৰ খেলৰ সামৰণি পৰত নাইট ৱাটছমেন হিচাপে বেট ধৰিবলৈ অহা আকাশদ্বীপে ৬৬ ৰানৰ বৰঙণি আগবঢ়ায়। ৰবীন্দ্ৰ জাদেজা আৰু ৱাশ্বিংটন সুন্দৰে ৫৩ ৰানকৈ কৰে। ইংলেণ্ড ভাৰতকৈ সামগ্ৰিকভাৱে ৩২৪ ৰানত পিছ পৰি আছে। খেলখনত জয়লাভ কৰিবলৈ ভাৰতৰ আৰু ৯টা উইকেটৰ প্ৰয়োজন।

খেলখনৰ সংক্ষিপ্ত স্ক'ৰসমূহ এনে ধৰণৰ ভাৰতৰ প্ৰথম ইনিংছত ২২৪ আৰু দ্বিতীয় ইনিংছত ৩৯৬ ৰান। ইংলেণ্ড প্ৰথম ইনিংছত ২৪৭ ৰান আৰু দ্বিতীয় ইনিংছত বৰ্তমানলকৈ এটা উইকেট হেৰুৱাই ৫০ ৰান।

০০০০০

এছিয় ক্ৰিকেট পৰিষদে পুৰুষৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজনস্থলীৰ নাম ঘোষণা কৰিছে। সেই অনুসাৰে ৯ৰ পৰা ২৮ ছেপ্তেম্বৰলৈ ডুবাই আৰু আবুধাবিত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ডুবাইত ফাইনেলসহ ১১ খন আৰু আবুধাবিত ৮ খন খেল অনুষ্ঠিত হ'ব।

গ্ৰুপ-এত স্থান পোৱা ভাৰতে ১০ ছেপ্তেম্বৰত ইউ এ ইৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। ১৪ ছেপ্তেম্বৰত ডুবাইত হ'বলগীয়া নিজৰ দ্বিতীয়খন খেলত ভাৰত, পাকিস্তানৰ সন্মুখীন হ'ব। ১৪ নৱেম্বৰত আবুধাবিত হ'বলগীয়া নিজৰ তৃতীয়খন খেলত ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত মুঠ ৮টা দলে অংশগ্ৰহণ কৰিব। ভাৰত, পাকিস্তান,  ওমান আৰু ইউ এ ইক গ্ৰুপ-এত স্থান দিয়া হৈছে। বাংলাদেশ, শ্ৰীলংকা, আফগানিস্তান আৰু হংকঙক গ্ৰুপ-বিত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

**সমাপ্ত**